# Sulphasalazine
# ছালফাচেলাইজিন


**IRA Committee on patient Education**
**ভাৰতীয় ৰিউমেটল'জী সস্থাৰ ৰোগী শিক্ষা সমিতি**

***Assamese Translation by:***
**Prof. Sanjeeb Kakati**
Deptt. of Medicine, Assam Medical College, Dibrugarh

***অসমীয়া অনুবাদ ঃ***
**ডাঃ সঞ্জীৱ কাকতি**
অধ্যাপক, মেডিচিন বিভাগ, অসম চিকিৎসা মহাবিদ্যালয়, ডিব্ৰুগড়


ছালফাচেলাইজিন বিভিন্ন ধৰণৰ arthritisৰ চিকিৎসা কৰিবলৈ ব্যৱহাৰ কৰা হয়। ইয়াক ২৫ বছৰৰো অধিক ব্যৱহাৰ কৰি থকা হৈছে। ইয়াক কিছুমান নাড়ীজনিত ৰোগৰ বাবেও ব্যৱহাৰ কৰা হয়।

### কেনেকৈ সেৱন কৰা হয়?

ছাল্‌ফা ঔষধলৈ সংবেদনশীল (sensitive) লোকসকলে ইয়াক সেৱন কৰিব নেলাগে। ইয়াক দিনে দুবাৰকৈ মুখেৰে সেৱন কৰা হয়। ইয়াৰ ৫০০ আৰু ১০০০ মিঃগ্ৰাঃৰ বড়ি উপলব্ধ। সাধাৰণতে ইয়াক আৰম্ভ কৰা হয় দিনে ৫০০ মিলিগ্ৰামকৈ এসপ্তাহলৈ। পৰবৰ্তী সপ্তাহত দিনে ১০০০ মিলিগ্ৰামকৈ দিয়া হয় আৰু তাৰ পাছৰ সপ্তাহত দিনে ১৫০০ মিলিগ্ৰামকৈ দিয়া হয়। যদি কোনো ছালৰ প্ৰতিক্ৰিয়া (reactions) বা অন্য পাৰ্শ্বক্ৰিয়া নহয় তেন্তে ইয়াক দিনে ১ গ্ৰাম দুবাৰকৈ ধাৰাবাহিকভাৱে দিয়া হয়। ইয়াৰ সৰ্বোচ্চ মাত্ৰা দৈনিক ৩ গ্ৰাম ব্যৱহাৰ কৰিব পৰা যায়।

### ই কিমান কাৰ্যকৰী?

৬০ৰ পৰা ৭০ শতাংশ ৰোগীৰ ক্ষেত্ৰত এই ঔষধে গাঁঠিৰ বিষ আৰু গাঁঠি ফুলা কমাই সুফল দিয়া দেখা গৈছে। ই কাম-কাজ কৰা অক্ষমতাৰ পৰা উপশম দিয়ে আৰু জীৱনৰ মানদণ্ড উন্নত কৰে। এই ঔষধৰ প্ৰভাৱ আৰম্ভ হয় ১২ সপ্তাহৰ পাছত আৰু আটাইতকৈ বেছি সুফল দেখা পোৱা যায় ছমাহত।

### ইয়াৰ পাৰ্শ্বক্ৰিয়া কি?

আটাইতকৈ বেছি দেখা পোৱা প্ৰাৰম্ভিক পাৰ্শ্বক্ৰিয়া হ'ল ছালৰ খজুৱতি, ছালৰ দাগ, বমি ভাব অহা, ভোক কমি যোৱা, মুখৰ ভিতৰত ঘা লগা আদি। যদি আপোনাৰ ছালত দাগ পৰে, বেছি তাপমাত্ৰাৰ জ্বৰ উঠে নাইবা খুব বেছিকৈ মুখৰ ভিতৰত ঘা লাগে, তাৎক্ষণিকভাৱে ঔষধ বন্ধ কৰি চিকিৎসকৰ সৈতে পৰামৰ্শ কৰক।

### কেনেকৈ নিয়মীয়াকৈ নিৰীক্ষণ কৰিম?

প্ৰথম ছমাহত তলত দিয়া ৰক্ত পৰীক্ষাসমূহ প্ৰতি দুমাহে কৰাব লাগে আৰু তাৰ পিছত প্ৰতি ছমাহে।

হিমগ্ল'বিন সাত গ্ৰামকৈ কম হ'ব নালাগে।

সম্পূৰ্ণ লিউকচাইট গণনা (TLC) ৪,০০০/cummতকৈ কম হ'ব নালাগে।

প্লেটিলেট কাউণ্ট ১,০০০০০/cummতকৈ কম হ'ব নালাগে।

এচ জি অ টি (SGOT) ৮০আই ইউতকৈ বেছি হ'ব নালাগে।

এচ জি পি টি (SGPT) ৮০আই ইউতকৈ বেছি হ'ব নালাগে।

ক্ৰিয়েটিনাইন ২ মিলিগ্ৰাম/ডেচিলিটাৰতকৈ বেছি হ'ব নালাগে।

যদি ইয়াৰে ভিতৰত কোনো সাল-সালনি দেখা যায়। ঔষধ বন্ধ কৰি চিকিৎসকক জনাওঁক।

**গৰ্ভাৱস্থা**

গৰ্ভাৱস্থাত salazopyrineক বেছি কু-প্ৰভাৱ নপৰাকৈ ব্যৱহাৰ কৰা হৈছে, যিকিনহওক ইয়াৰ ধাৰাবাহিকতা কৰিবলৈ চিকিৎসকে পৰামৰ্শ নিদিলে গৰ্ভধাৰণৰ তিনিমাহ পূৰ্বে ইয়াক সেৱন কৰা বন্ধ কৰাটো উচিত।

**অস্বীকাৰকৰণ (Disclaimer) ঃ** উপৰোক্ত কথাখিনি চিকিৎসাবিধিৰ প্ৰতিষ্ঠাপন (substitution) নহয়। ই কেৱল কিছুসংখ্যক বিশেষজ্ঞৰ সামূহিক দৃষ্টিভংগীহে দাঙি ধৰিছে। ই ভাৰতীয় ৰিউমেটল'জী সন্থাৰ নিৰ্ধাৰিত নীতি নহয়।